# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ সপ্তম দিনাৰ কাৰ্যসূচীৰ অংশ হিচাপে জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি বৰপেটা জিলাত হিতাধিকাৰীসকললৈ আনুষ্ঠানিকভাৱে বিভিন্ন সাহায্য আৰু অনুদান বিতৰণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয়, যে বৰ্তমান চৰকাৰে ৰাজ্যৰ সামগ্ৰিক বিকাশ আৰু জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰাত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। এই ক্ষেত্ৰত চৰকাৰৰ প্ৰচেষ্টা আগলৈও অব্যাহত থাকিব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে ৰাজ্যৰ জনসাধাৰণৰ বাবে শিক্ষা, উদ্যোগ, বিত্ত আৰু ৰাজহ বিভাগৰ বিভিন্ন আঁচনিৰ জৰিয়তে চৰকাৰে বিভিন্ন শিতানৰ ২৫ লাখৰো অধিক হিতাধিকাৰীক উপকৃত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। আজিৰ অনুষ্ঠানত শ্ৰীমল্লবৰুৱাই অসম ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু সকাহ আঁচনিৰ অধীনত ২ হাজাৰ ৪৮ গৰাকী মহিলাক ঋণমুক্তি প্ৰমাণপত্ৰ বিতৰণ কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত হিতাধিকাৰীলৈ আৰ্থিক সাহায্য প্ৰদান কৰে। তেওঁ লগতে আত্মসহায়ক গোটৰ খাদ্য প্ৰসংস্কৰণৰ লগত জড়িত ১৮০ গৰাকী মহিলাক মূলধনী বিনিয়োগৰ ৰাজ সাহায্য প্ৰদান কৰে।

চিৰাং, ধুবুৰী, চৰাইদেউ, দৰং, বঙাইগাঁও আৰু তামুলপুৰ জিলাতো আজি বিকাশৰ ১২ দিন কাৰ্যসূচী অনুষ্ঠিত হয়। তামুলপুৰত কছুবাৰীৰ শ্ৰীশ্ৰীগোপাল আৰু জগন্নাথ থান সত্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ কল্যাণ, সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই কয়, যে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

000

ভূটান ভ্ৰমণৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ভূটানৰ ১১৭ সংখ্যৰ ৰাষ্ট্ৰীয় দিৱস উদযাপন সমাৰোহত অংশগ্ৰহণ কৰে। থিম্ফুৰ ছাংলিমেথাং খেলপথাৰত আয়োজন কৰা এই অনুষ্ঠানত অংশগ্ৰহণ কৰি ডঃ শৰ্মাই অনন্য অনুভূতি লাভ কৰা বুলি মন্তব্য কৰে। তেওঁ লগতে ভূটানৰ ৰজা জিগমে খেছৰ নামগিয়াল ৱাংচুকক সাক্ষাৎ কৰে আৰু অসম আৰু ভূটানৰ মাজৰ ঐতিহ্যপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বিষয়ে আলোচনা কৰে। মুখ্য মন্ত্ৰী শৰ্মাই ভূটানৰ প্ৰধানমন্ত্ৰী দাছ' চেৰিং টবগেৰ সৈতেও দুয়োখন ভূখণ্ডৰ পাৰস্পৰিক বিষয় সম্পৰ্কে আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ভূটান আৰু অসমৰ মাজত পূৰ্বৰে পৰা ৭ টা বাণিজ্যিক পথেৰে যাতায়াত চলি আছে। ইয়াৰ উপৰি অসম মালা প্ৰকল্পৰ অধীনত কোকৰাঝাৰ আৰু গেলেফুৰ মাজত পথ সংযোগ অধিক শক্তিশালী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

000

গুৱাহাটী উচ্চ ন্যায়ালয়ে মাঘ বিহুৰ সময়ত ম'হ যুঁজ আৰু বুলবুলি চৰাই যুঁজ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰে যোৱা বছৰ ২৭ ডিচেম্বৰত জাৰি কৰা নিৰ্দেশনা খাৰিজ কৰিছে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ দেৱাশীষ বৰুৱাৰ বিচাৰপীঠে আজি পেটা ইণ্ডিয়া নামৰ এটা সংস্থাই ৰাজ্য চৰকাৰে জাৰি কৰা নিৰ্দেশনাক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি এইদৰে ৰায় দিয়ে। ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ নিৰ্দেশনাত উচ্চতম ন্যায়ালয়ে আন এটা গোচৰত জাৰি কৰা নিৰ্দেশনাৰ পৰিপন্থী বুলিও মন্তব্য কৰে। উচ্চ ন্যায়ালয়ৰ ৰায়দানৰ ফলত ৰাজ্যত ম'হ আৰু বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰাটো নিষিদ্ধ হৈ পৰিল।

০০০

কামৰূপ মহানগৰ জিলাৰ পকছ’ আদালতে আজি শিশু যৌন নিৰ্যাতনৰ গোচৰত কমল দাস নামৰ এজন অভিযুক্তক ১০ বছৰ সশ্ৰম কাৰাদণ্ড বিহে। আজাৰা থানাত ৰুজু হোৱা গোচৰৰ দিঘলীয়া শুনানি গ্ৰহণ কৰি আদালতে এই ৰায় দিয়ে।

০০০০

কোকৰাঝাৰৰ জিলা শিশু সুৰক্ষা গোট, চাইল্ড হেল্প লাইন আৰু শ্ৰম বিভাগে আৰক্ষীৰ সৈতে যৌথ অভিযান চলাই আজি ভোটগাওঁ বজাৰ এলেকাৰ বিভিন্ন দোকান - প্ৰতিষ্ঠানত নিয়োজিত ৩ গৰাকী শিশু শ্ৰমিকক উদ্ধাৰ কৰে। পাছত বজাৰ কমিটিৰ সদস্য আৰু জনসাধাৰণৰ বাবে সজাগতা অভিযানো চলোৱা হয়।

০০০

ভাৰতীয় ৰেলৱেই বিভিন্ন সংমণ্ডলৰ এশ এগৰাকী ৰেল কৰ্মচাৰী আৰু বিষয়াক সুৰক্ষা, উদ্ভাৱন, ৰাজহ সৃষ্টি আৰু পৰিচালন উৎকৰ্ষতাৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে বিশিষ্ট ৰেল সেৱা পুৰস্কাৰেৰে সন্মানিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত উত্তৰ-পূৱ সীমান্ত ৰেলৱেৰ দুগৰাকী কৰ্মচাৰীক ব্যতিক্ৰমী নিষ্ঠা আৰু নিস্বাৰ্থ সেৱাৰ বাবে সন্মানিত কৰা হৈছে। উত্তৰ-পূৱ সীমান্ত ৰেলৱেৰ বদৰপুৰৰ লোকো পাইলট ৰাজ নাৰায়ণ কুমাৰক সাহসিকতা আৰু সতৰ্কতাৰ ব্যতিক্ৰমী সেৱাৰ বাবে বাচনি কৰা হৈছে। একেদৰে লামডিঙৰ জ্যেষ্ঠ সহকাৰী লোকো পাইলট ৰাহুল কুমাৰক দৃষ্টান্তমূলক প্ৰদৰ্শন আৰু তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণৰ বাবে স্বীকৃতি প্ৰদান কৰা হৈছে।

০০০

বাংগালুৰুত ১৮ ৰ পৰা ২৪ ডিচেম্বৰত হ’বলগীয়া ছিনিয়ৰ ৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অসমৰ মহিলাৰ দলটো আজি ৰাওনা হয়। পুৰুষ দলটো কাইলৈ ৰাওনা হ’ব। অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰচিদে প্ৰকাশ কৰা মতে, প্ৰতিযোগিতাত অসমৰ ১০ জনীয়া পুৰুষ আৰু ১১ জনীয়া মহিলা দলে ভাগ লব। অসমে ছিংগলছ, ডাবলছ, মিক্সড তথা দলীয় শাখাত অংশগ্ৰহণ কৰিব।

০০০

সমাপ্ত